**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-05-2024
**Time :** 1800 Hrs

***Assamese Morning Bulletin***

**:::::::::::::::::::::::::::::::::::::**

ৰাজ্যৰ ৫০ খন নিৰ্বাচনী জিলাত স্থাপিত ৫২ টা ভোটগণনা কেন্দ্ৰত অহা ৪ জুনত হ'বলগীয়া ভোটগণনাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি গুৱাহাটীত অনুষ্ঠিত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে জানিবলৈ দিয়া মতে পুৱা ৮ বজাত আৰম্ভ হ'বলগীয়া ভোট গণনাৰ বাবে মুঠ ৫ হাজাৰ ৮২৩ গৰাকী বিষয়া-কৰ্মচাৰীক নিয়োগ কৰা হৈছে। ভোটগণনা স্বচ্ছ পদ্ধতিৰে সম্পন্ন কৰাটো নিশ্চিত কৰাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগে ৬৪ গৰাকী সাধাৰণ পৰ্যবেক্ষকক নিযুক্তি দিছে বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।

শ্ৰী গোৱেলে লগতে কয় যে মুঠ ৫২ টা ভোটগণনা কেন্দ্ৰত এহেজাৰ ৯৪১ খন ভোটগণনাৰ মেজৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, আজিৰ দিনটোলৈ ৰাজ্যৰ ১৪ গৰাকী ৰিটাৰ্নিং বিষয়াই ১ লাখ ২৮ হাজাৰ ২৯৯ খন ডাক-বেলট লাভ কৰিছে বুলি জানিবলৈ দি তেওঁ লগতে কয় যে যোৰহাট লোকসভা সমষ্টিত সৰ্বাধিক সংখ্যক ডাক বেলট লাভ কৰা হৈছে।

ইপিনে, ভোটগণনাৰ বাবে গোৱালপাৰা জিলা প্ৰশাসনে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। জিলাখনৰ হোৱা দুধনৈ আৰু গোৱালপাৰা পশ্চিম বিধানসভা সমষ্টি দুটা গুৱাহাটী লোকসভা সমষ্টিত অন্তৰ্ভুক্ত হোৱাৰ বিপৰীতে গোৱালপাৰা পূব আৰু জলেশ্বৰ বিধানসভা সমষ্টি ধুবুৰী লোকসভা সমষ্টিৰ অন্তৰ্ভুক্ত হৈছে। সেয়ে দুয়োটা লোকসভা সমষ্টিৰ বিপৰীতে জিলাখনত থকা ৪ টা বিধানসভা সমষ্টিৰ ভোটগণনা গোৱালপাৰা জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত হোৱা বহুমুখী প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব।

০০০০০০০

চৰাইদেউ জিলা পথ সুৰক্ষা সমিতিৰ ষষ্ঠ বাৰ্ষিক বৈঠক আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ অনুষ্ঠিত হয়। জিলা আয়ুক্ত তথা জিলা পথ সুৰক্ষা সমিতিৰ অধ্যক্ষ নিবেদন দাস পাটোৱাৰীৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত জিলাখনৰ সকলো অঞ্চল সামৰি সম্ভাব্য পথ দুৰ্ঘটনা কিদৰে ৰোধ কৰিব পাৰি সেই সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। পথ সুৰক্ষা সমিতিৰ সকলো সদস্যক নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ লগতে অনাগত দিনত জিলাখনত দুৰ্ঘটনা ৰোধ কৰাৰ ক্ষেত্ৰত কাম কৰি যাবলৈ তেওঁ আহ্বান জনায়। বৈঠকত জিলা আয়ুক্তগৰাকীয়ে ৰাজপথত সুৰাপান কৰি যান-বাহন চলোৱা লোকৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰিবলৈ আৰকাৰী বিভাগক নিৰ্দেশ দিয়ে।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ২০২৩-২৪ পৰ্যটন বৰ্ষৰ আজি অন্ত পৰিছে। এই বৰ্ষটোতে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, ভূটানৰ ৰজাকে ধৰি বহুসংখ্যক পৰ্যটকে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰিছে। সমাগত বাৰিষাৰ প্ৰতি লক্ষ্য ৰাখি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই উদ্যানখনত আজিৰ পৰা হাতী ছাফাৰী, জীপ ছাফাৰীৰ লগতে পৰ্যটকৰ প্ৰৱেশ বন্ধ কৰিছে।

০০০০০০০

তিনিচুকীয়াৰ জিলা আয়ুক্ত স্বপনীল পালে আজি জিলাখনৰ সূৰ্যোদয় মুক্ত আশ্ৰয় গৃহ পৰিদৰ্শন কৰি শিশুগৃহৰ কৰ্মচাৰীৰ লগতে পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলৰ সৈতে বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা

কৰে। সূৰ্যোদয়ৰ সঞ্চালকগৰাকীয়ে আয়ুক্ত শ্ৰীপালক শিশুৰ সুৰক্ষা আৰু নিৰাপত্তাৰ বিভিন্ন দিশ সম্পৰ্কে আলোকপাত কৰে। জিলা আয়ুক্তগৰাকীয়ে শিশুগৃহৰ শিশুসকলক পায়স বিতৰণ কৰাৰ লগতে আশ্ৰয় গৃহলৈ অহা-যোৱা কৰা পথছোৱা শীঘ্ৰেই মেৰামতি কৰাৰ আশ্বাস দিয়ে।

০০০০০০০০০

মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত জিলাখনৰ কেইবাটাও গাঁও পঞ্চায়তত আজিৰে পৰা ২৮ জুনলৈ প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ পৰিপূৰ্ণতা অভিযান কাৰ্যসূচীৰ অধীনত বিশাল সজাগতামূলক শিবিৰ অনুষ্ঠিত হৈছে। হিতাধিকাৰী কৃষকসকলৰ সুবিধাৰ্থে গাওঁ পঞ্চায়তসমূহত মাহযোৰা কাৰ্যসূচীৰে এই শিবিৰৰ আয়োজন কৰা হৈছে। শিবিৰসমূহত কৃষি বিভাগৰ বিষয়া কৰ্মচাৰীৰ লগতে বেংক তথা সামুহিক সেৱাকেন্দ্ৰৰ কৰ্মচাৰীয়ে কৃষকসকলক আঁচনি সম্বন্ধীয় বিভিন্ন সমস্যা সমাধানৰ বাবে সহায় কৰিব। এই কাৰ্যসূচীত অংশ লৈ কৃষকসকলে আঁচনিৰ সুবিধা লাভৰ ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যাৰ সমাধান লাভ কৰিবলৈ সমৰ্থ হ'ব।

০০০০০০০০০

তিনিচুকীয়া জিলাৰ উন্নয়ন সন্দৰ্ভত আজি এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জিলা উন্নয়ন আয়ুক্ত পবিত্ৰ কুমাৰ দাসৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত বিভিন্ন উন্নয়নমূলক কামৰ খতিয়ান লোৱাৰ লগতে তিনিচুকীয়াৰ উন্নয়নমূলক কামৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকখনত জিলাখনৰ সহকাৰী আয়ুক্ত, বিভিন্ন পৌৰসভা, নগৰ সমিতিৰ কাৰ্যবাহী বিষয়া, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া উপস্থিত থাকে।

০০০০০০০০০

যোৰহাট জিলাৰ নাগিনীজান চাহ বাগিছাৰ ৯ নম্বৰ লাইনত আফ্ৰিকান ছোৱাইন ফিভাৰ ধৰা পৰিছে। যোৰহাট জিলা আয়ুক্তই এই সন্দৰ্ভত পশু আইন, ২০০৯ৰ ৬(১) ধাৰাৰ - সংক্ৰামক আৰু সংক্ৰমিত ৰোগ প্ৰতিৰোধ নিয়ন্ত্ৰণৰ অধীনত বাগিছাখনৰ ৯ নম্বৰ লাইনক আফ্ৰিকান ছোৱাইন ফিভাৰৰ মূল কেন্দ্ৰ হিচাপে ঘোষণা কৰিছে। এই সম্পৰ্কে জাৰি কৰা অধিসূচনা অনুসৰি নাগিনীজান চাহ বাগিছাৰ ৯ নম্বৰ লাইনৰ পৰা ১০ কিলোমিটাৰ এলেকাৰ ভিতৰত গাহৰি বেপাৰৰ লগতে আদান-প্ৰদান, বিক্ৰী আদি কাৰ্য বন্ধ কৰিব লাগিব।

০০০০০০০০০

**সমাপ্ত**